সপোনৰ পৃথিৱী
ছাইফুল ইছলাম

ঃ সপোনৰ পৃথিৱী ঃ

কবিতা

অসম সাহিত্য সভাৰ হোজাইত অনুষ্ঠিত তৃতীয় বিশেষ বাৰ্ষিক অধিৱেশন (৭,৮,৯ আৰু ১০ ফেব্ৰুৱাৰী ২০০৪)ত উন্মোচিত গ্ৰন্থ।

ছাইফুল ইছলাম

SOPUNAR PRITHIVI: A collection of Assamese poems written by Md. Saiful Islam, MA and published by Abu Sayed Md. Abul Bahar, Rupahi, Nagaon (Assam), First Edition: February, 2004.

প্ৰকাশকঃ
আবু ছৈয়দ মহম্মদ আবুল বাহাৰ
ৰূপহী, নগাঁও (অসম)

© লেখকৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত

প্ৰথম প্ৰকাশঃ ফেব্ৰুৱাৰী ,২০০৪

বেটুপাতঃ আতিকুৰ ৰহমান

মূল্যঃ ৩৫.০০ টকা

মুদ্ৰকঃ
পূৰ্বোত্তৰ প্ৰকাশন এণ্ড প্ৰিণ্টাৰ্ছ
ফৌজদাৰীপট্টি, নগাঁও (অসম)

উছৰ্গা

পিতৃ মৰহুম হাজী নবাব আলী মুন্সী,
মাতৃ মৰহুমা আমিনা খাতুন
আৰু
শহুৰ মৰহুম আব্দুল কালাম আজাদ
(প্ৰাক্তন অধ্যক্ষ কাৰেমাৰী উচ্চতৰ
মাধ্যমিক বিদ্যালয়)
এখেত সকলৰ পবিত্ৰ সোঁৱৰণত মোৰ
এই পুথিখনি শ্ৰদ্ধাৰে উৎসৰ্গা কৰিলো।

ছাইফুল ইছলাম

পাতনি

কবিতা সৃষ্টিৰ বাবে যি বোধ, যি প্ৰজ্ঞা, যি অভিজ্ঞতা আৰু যিবোৰ অনুশীলনৰ প্ৰয়োজন সেইবোৰৰ ক্ষেত্ৰত মই নিচেই নবীন। মই কবি নহওঁ, কিন্তু কাব্য সন্ধানী মন এটি মোৰ আছে। মোৰ দাদা প্ৰয়াত আবুল কাসেম মাষ্টাৰৰ অকাল মৃত্যুত মৰ্ম্মাহত হৈ মই পোন প্ৰথমে "মৃত্যু" নামৰ কবিতাটি লিখোঁ। ইয়াৰ পিছত সমাজৰ প্ৰতি দায়-বদ্ধতাক স্বীকাৰ কৰি সমকালীন আমাৰ সমাজ খনত দেখা দিয়া পৰিস্থিতিৰ ওপৰত মোৰ হৃদয়ৰ হেন্দোলনিক ৰূপ দিয়াৰ ইচ্ছাৰে অভিনয়, স্বাৰ্থপৰ, অধম, আধুনিক সমাজ আৰু অমূল্য সময় ইত্যাদি নামেৰে কেইবাটাও কবিতা লিখি মোৰ হৃদয়ৰ নিভৃত কোণত গুজৰি গুমৰি থকা ভাববোৰক প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছোঁ। তাৰেই সাৰ্বিক ৰূপ "সপোনৰ পৃথিৱী"। ইয়াত সন্নিবিষ্ট কবিতাবোৰক কবিতা বুলি কোৱাৰ সাহস মোৰ মুঠেই নাই। তাৰ বিচাৰৰ ভাৰ সহৃদয় পাঠক সমাজৰ ওপৰত দিলোঁ।

কবিতা লিখিবলৈ সততে প্ৰেৰণা যোগোৱা মোৰ পত্নী মোছাঃ হাচনা আৰা বেগম ধন্যবাদৰ পাত্ৰী। প্ৰবক্তা ড° গিৰিকান্ত গোস্বামী, সাহিত্যিক পেন্সনাৰ শ্ৰীযুত বুদ্ধীন্দ্ৰ কুমাৰ বৰুৱা, কবি আতৰ আলী চৌধুৰী, লিখক, সাংবাদিক শ্ৰীযুত জনাৰ্দন শৰ্মা আৰু জনাব মোঃ ছামছুদ্দিন আহমেদ চাহাবে মোৰ পুথিখন পাণ্ডুলিপি অৱস্থাত চকু ফুৰাই পৰামৰ্শ দি সহায় কৰাৰ বাবে তেখেত সকললৈ মই মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছো। পুথিখন প্ৰকাশৰ সম্পূৰ্ণ দায়িত্ব লোৱা বাবে প্ৰকাশক আবু ছৈয়দ মহম্মদ আবুল বাহাৰ আৰু তেওঁৰ পত্নী হাছিনা মমতাজলৈ মোৰ আন্তৰিক কৃতজ্ঞতা যাঁচিলো।

সৰ্বোশেষত পূৰ্বোত্তৰ প্ৰকাশন পৰিষদ আৰু প্ৰিন্টাৰ্ছৰ স্বত্বাধিকাৰী শ্ৰীযুত ৰাজেন্দ্ৰ ভূঞা আৰু তেওঁৰ সহকৰ্মী সকলৰ একান্ত প্ৰচেষ্টাত পুথিখন অতি সোনকালে ছপা হৈ ওলোৱা বাবে তেওঁলোক আটাই কেইজনৰে শলাগ লৈছো।

এই পুথিখনে পঢ়ুৱৈ সমাজত সমাদৰ পালেহে মোৰ কষ্ট সাৰ্থক হ'ব।

ছাইফুল ইছলাম

☎ ৯৬৭৮৩৭৪১০৪

শুভেচ্ছা

সত্যই সুন্দৰ আৰু সুন্দৰেই সত্য। এই কথাষাৰৰ সত্যতা যেতিয়া লেখকে মৰ্মে মৰ্মে উপলব্ধি কৰিব তেতিয়াই কবি হৃদয়ে অনুভৱ কৰিব চিৰ সুন্দৰৰ আৰাধনাৰ কথা। কঠোৰ অনুশীলন প্ৰতিজন ব্যক্তিৰেই সাধনাৰ মূলমন্ত্ৰ। 'সপোনৰ পৃথিৱী'ৰ লেখক ছাইফুল ইছলামৰ সুগভীৰ চিন্তাৰ ই এক সুন্দৰ প্ৰয়াস হৈছে। তেওঁৰ লিখনিত ছন্দৰ আটোলটোল এটা মানৱীয় প্ৰমূল্যৰ সন্ধান পোৱা গৈছে। কবিতাৰ মাজৰে নীতি শিক্ষাৰ শিক্ষণ নতুন প্ৰজন্মৰ কাৰণে অপৰিহাৰ্য্য হৈছে বুলি ক'ব পাৰি। প্ৰতিটো কবিতাৰে একো একোটা দিশৰ সম্ভোগ সূচক নিজস্ব অভিমত আছে। ছাত্ৰৰ লক্ষ্য, অহিংসা, স্বাৰ্থপৰ, আধুনিক সমাজ, অমূল্য সময়, ব্যৱহাৰ, ভাগ্য গঢ়া সহজ আদি কবিতাৰ মাধ্যমৰে যি বক্তব্য প্ৰতিষ্ঠা কৰিব বিচাৰিছে তাৰ অন্তৰ্নিহিত সত্যতাযেই তেওঁৰ উদ্দেশ্য ধৰ্মীতাৰ কথাকেই প্ৰকট কৰিছে। তেওঁৰ লেখাই সমাদৰ পাওক এয়ে মোৰ শুভাশিস।

২০/০১/০৪
শান্তিবন, নগাওঁ

শ্ৰীবুদ্ধীন্দ্ৰ কুমাৰ বৰুৱা
সাহিত্যিক পেঞ্চনাৰ
নগাওঁ

শুভেচ্ছা

'সপোনৰ পৃথিৱী' বিভিন্ন ধৰ্ম আৰু ভাষা-ভাষীলোকৰ সমন্বয়ৰ থলী নগাঁও জিলাৰ জুৰীয়া নিবাসী ছাইফুল ইছলামৰ একুৰি সাতটা স্বৰচিত ছন্দোবদ্ধ কবিতাৰ সংকলন আৰু তেওঁৰ জীৱনৰ প্ৰথম কাব্য প্ৰয়াস। ব্যক্তি কেন্দ্ৰীকতা, স্বাৰ্থপৰতা, কৰ্ম বিমুখতা, ঈৰ্ষা অসূয়া, চল চাতুৰী প্ৰবঞ্চনা প্ৰভিতি কলুষতাৰে ভৰা সাম্প্ৰতিক সমাজ চিত্ৰই কবিৰ মনত হেন্দোলনি তোলা ভাব চিত্ৰসমূহক কবিয়ে ছন্দোবদ্ধ ৰূপত থুপাই পুথিৰূপে প্ৰকাশ কৰিছে। জাতিৰ প্ৰতি সেৱা আগবঢ়োৱাৰ আকুলতাৰে উদ্বুদ্ধ এই নতুন কবি গৰাকীয়ে যথাবিহিত শব্দ সম্ভাৰেৰে তেওঁৰ ভাব কল্পনাক সুষমামণ্ডিত কৰি চিত্ৰ ধৰ্মী আৰু ছন্দোবদ্ধ ৰূপত প্ৰকাশ কৰাত বাঞ্ছিত সফলতা লাভ কৰিছে যদিও কবিৰ স্বতঃপ্ৰণোদিত কাব্য প্ৰচেষ্টা নিঃসন্দেহে আদৰণীয়। মোৰ বিশ্বাস নতুনকৈ কাব্য পথাৰত ভৰি দিয়া এই কবিগৰাকীয়ে মানুহৰ মন চিন্তা ৰুচিবোধ বৌদ্ধিক জিজ্ঞাসা আৰু জীৱনৰ অভিজ্ঞতাৰ মূল্যবোধ সম্পৰ্কীয় ধ্যান ধাৰণা আহৰণ কৰিবলৈ প্ৰযত্নশীল অথবা সমৰ্থ হ'লে তেওঁৰ কবিতাৰ পৰা বিক্ষিপ্ত আৰু অযত্ন বিন্যস্ত শব্দবোৰ পৰিহাৰ হ'ব আৰু সময়ত ৰচনাৰীতি অথবা অভিব্যঞ্জনাই বাঞ্ছিত ৰূপ পৰিগ্ৰহ কৰিব। লগতে কবিৰ স্বদেশপ্ৰীতি মানৱ প্ৰেম আৰু আধ্যাত্মিক অনুভূতিয়েও পূৰ্ণতা লাভ কৰিব। আশীৰ্ব্বাদ কৰিছোঁ কবিৰ কাব্যযাত্ৰা সফলৰ পৰা সফলতালৈ আগবাঢ়ক।

শান্তি নিলয়
পোঃ- ফুলগুৰি-৭৮২০১৩
নগাঁও-অসম

শ্ৰীঅভয় বৰুৱা
সভাপতি, অসম কবি সন্মিলন
১৬।০১।০৪

শুভেচ্ছা

শ্ৰীছাইফুল ইছলামে তেওঁৰ কিছু স্ব-ৰচিত কবিতাৰে এখন পুথি প্ৰকাশৰ প্ৰয়াস কৰিছে। এইটো প্ৰশংসনীয়। তেওঁৰ এই সজ চিন্তা-চেষ্টাৰ প্ৰতি মোৰ শুভ কামনা থাকিল। 'সপোনৰ পৃথিৱী' নাম দি প্ৰকাশ কৰিবলৈ লোৱা গ্ৰন্থখনে ৰাইজৰ সমাদৰ লাভ কৰক, সেই শুভ-ইচ্ছা মোৰ থাকিল।

নামঘৰ পথ, দঃ হয়বৰগাঁও
নগাওঁ ঃ অসম

শ্ৰীকুমুদ বৰা
২৪/০১/০৪

শুভেচ্ছা

নগাওঁ জুৰীয়া নিবাসী ছাইফুল ইছলাম চাহাবৰ লগত চিনাকি নগাওঁ কলেজৰ প্ৰাক্তন অধ্যাপক আব্দুল কৰিম চাৰৰ জৰিয়তে। বিগত বৰ্ষৰ কোনোবা এটা দিনত "সপোনৰ পৃথিৱী" নামৰ কবিতাৰ পাণ্ডুলিপিখনলৈ আমাৰ ঘৰলৈ আহিছিল। ইছলাম চাহাব এগৰাকী সহজ সৰল শান্তিপ্ৰিয় চিন্তাশীল লেখক। তেখেতৰ মনৰ মাজত এখন সুন্দৰ পৃথিৱী থকাতো প্ৰকাশ পোৱা যায় কবিতাবোৰৰ মাজত। আধুনিক কাব্যিক শৈলী ব্যৱহাৰ নকৰাকৈ তেখেতে কবিতা ৰচনা কৰি কবি ৰূপে প্ৰতিষ্ঠা লাভ কৰিবলৈ যত্ন কৰিছে। এয়া তেখেতৰ আৰম্ভণিৰ প্ৰচেষ্টা। কবিতা মই ভাল পাওঁ আৰু ভাল পাওঁ কবিতা লেখা কবিসকলক। কবিতা ৰচিবলৈ যি প্ৰতিভা লাগে সেয়া সকলোৰে নাথাকে। অভ্যাস আৰু পৰিশীলনৰ দ্বাৰা ভাল কবিতা ৰচনা কৰিব পাৰি। ছাইফুল চাহাবৰ সকলোবোৰ কবিতাত কাব্যিক গুণ আছে বুলিব নোৱাৰি যদিও তেখেতৰ যত্ন শলাগিবলগীয়া। মই আশা কৰোঁ তেখেতৰ কবিতাই পাঠকৰ মন জয় কৰিব পাৰিব। তেখেতে ভৱিষ্যতেও কবিতা ৰচনা কৰিব বুলিও মই আশা কৰিলোঁ।

দিনাঙ্ক- ১৪ জানুৱাৰী, ২০০৪
ভোগালী বিহুৰ উৰুকা

ড° গিৰিকান্ত গোস্বামী
নীতাংশনিলয়
ফৌজদাৰীপট্টী, গোপীনাথ বৰদলৈ পথ
নগাঁও-৭৮২০০১, অসম

সূচীপত্ৰ

১/ ছাত্ৰৰ লক্ষ্য - ১১

২/ অহিংসা-১২

৩/ স্বাৰ্থপৰ – ১৩

৪/ আধুনিক সমাজ -১৪

৫/ অমূল্য সময়–১৫

৬/ ব্যৱহাৰ – ১৬

৭/ ভাগ্য গঢ়া সহজ - ১৭

৮/ নৱ নাৰী – ১৮

৯/ অদ্ভুত স্বভাৱ – ১৯

১০/ অভিনয় – ২০

১১/ অভাৱ –২১

১২/ আজিৰ বিশ্ব – ২২

১৩/ দুটা বাট – ২৩

১৪/ নগৰ চহৰ– ২৪

১৫/ বিধাতাৰ দান – ২৫

১৬/ ঘৰ সংসাৰ – ২৬

১৭/ ভাল পাওঁ মই – ২৭

১৮/ অধম - ২৮

১৯/ অসমী আই-৩০

২০/ কিয় পাহৰিলে - ৩২

২১/ চেষ্টা – ৩৪

২২/ পিতৃ-মাতৃ –৩৬

২৩/ সিপুৰীৰ চিন্তা – ৩৮

২৪/ মৃত্যু – ৪০

২৫/ সংসাৰ – ৪১

২৬/ নিৰনুৱা – ৪৩

২৭/ সপোনৰ পৃথিৱী – ৪৫

২৮/ ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ সোঁৱৰণত - ৪৭

ছাত্ৰৰ লক্ষ্য

মানৱ জীৱনৰ লক্ষ্য হোৱা উচিত
মনুষ্যত্বৰ বিকাশ,
ছাত্ৰৰ লক্ষ্য হোৱাটো বাঞ্চনীয়
কৰ্মত আত্ম প্ৰকাশ।
ছাত্ৰ জীৱনতেই কৰিব লাগে
নিজৰ লক্ষ্য বাছনি
ভাবি গুণিহে ঠিক কৰা দৰকাৰ
লক্ষ্য নিজেই জানি শুনি।
লক্ষ্য বিহীন ছাত্ৰৰ জীৱন,
আলাই আথানি হোৱা,
গুৰিয়াল বিহীন নাও যেন
সাগৰত ভাঁহি যোৱা।
কল্পনাৰ জীৱন আৰম্ভ হয়,
ছাত্ৰহঁতৰ বাল্য কাল
জীৱনৰ লক্ষ্য বাছি লোৱা উচিত
জীৱন হ'বলৈ ভাল।
জীৱনৰ লক্ষ্য ছাত্ৰৰ পোণতে
সঠিক নহয় যদি,
আকাংক্ষা থাকিলেও সংসাৰত
উদ্দেশ্য নহয় সিদ্ধি।
লক্ষ্যৰ বাটত অচল অটল
মেধাবী ছাত্ৰৰ মন,
বাধা বিঘিনিক নেওঁচা দিব পাৰিলে
সিয়ে হ'ব মূলধন।
লক্ষ্য হ'ল ছাত্ৰ জীৱনৰ এটি
অতি গুৰুত্বৰ ক্ষণ ;
বিদ্যা শিক্ষাত প্ৰকৃত ছাত্ৰই
দৃঢ়তাৰে বহুৱাব লাগিব মন।
জীৱনৰ লক্ষ্য থিৰাং কৰি ল'ব লাগিব
অধ্যয়ণৰত ছাত্ৰই
সমাজত উপযুক্ত স্থান পাবৰ হ'লে
এৰিব লাগিব সংশয়।

অহিংসা

অহিংসাই পৰম ধৰ্ম এইখন পৃথিৱীত,
হিংসাক নিদিবা আশ্রয় ক'তো কদাচিত।
হিংসাই কৰে ছাঁই পুৰি পুৰি মানৱ অন্তৰ,
নৰৰ অধম হয় মগজু নিশ্চয় হিংসুকৰ।
হিংসা, প্রতি হিংসাৰ কৱলত আজি সমগ্র নাৰী-নৰ
প্রাণ বিসর্জন দিয়েই আছে কিমান জনে যুগ যুগান্তৰ।
হিংসা প্রবৃত্তিৰ বাবেই পৃথিৱীত ধ্বংসৰ নাই অন্ত
নাগাচাকি, হিৰোচিমা আৰু আছে বহু প্রকৃত দৃষ্টান্ত।
অহিংসাৰ বলতেই ভাৰতে লাভ কৰিছিল স্বাধীনতা,
ব্যতিক্রম নাই কিন্তু ই যে চিৰ সত্য কথা।
হিংসাৰে ভাৰতবৰ্ষ নহ'লহেঁতেন স্বাধীন,
মহাত্মাৰ অবিহনে ভাৰত আছিল পৰাধীন।
মহৎ কাম সাধিবৰ মানসে হিংসা পৰিহৰি,
যদিও আনে কৰে হিংসা সদায় থাকিবা ধৈৰ্য্য ধৰি।
সহনশীলতাৰ সমগুণ নাই ক'তো পৃথিৱীত,
সাম্য ভাবে মহৎ কৰ্ম সবে কৰাহে উচিত।
হিংসা ভাব হিংসুকৰ ই নোহে মহাপুৰুষৰ,
জ্ঞানী গুণীলোকে হিংসাক কদাপি নকৰে আদৰ।
হিংসাকুৰীয়াই নাপায় শান্তি এইখন জগতত,
সৰ্বহাৰা হই কটায় জীৱন যেন সংসাৰ নৰকত।
মহাত্মা হ'বলৈ হেঁপাহ নিশ্চয় থাকিলে নিজৰ,
অহিংসাৰেই সাধিবা কৰ্ম দহৰ বা দেশৰ।

স্বাৰ্থপৰ

আজি কালি মানুহ অতি স্বাৰ্থপৰ
সকলো ক্ষেত্ৰতে দেখা যায় ;
কোনো কামত স্বাৰ্থ নেদেখিলে হেনো,
গাটোত শকতিকে নাপায়।
স্বাৰ্থত আঘাত পৰিলেই মানুহে
সৰু ডাঙৰ একোকে নেচায়
সংকোচ নকৰি আনৰ দোষ ত্ৰুটিবোৰ
চৰ্চা কৰিয়েই দিন যে কটায়।
বিনা স্বাৰ্থে এই যুগত কোনো মানুহেই
আগলৈ নিদিয়ে যে খোজ,
স্বাৰ্থৰ বাট অন্ধকাৰ হ'লেও ন্যায় অন্যায়ৰ
নলয় অকণো বুজ।
য'তে ত'তে আজিৰ মানুহে আনৰ
দোষ ত্ৰুটি ব্যাখ্যা কৰে,
লোকৰ প্ৰতি এই অন্যায় আচৰণেৰে
কি ফলনো আৰ্জি ফুৰে ?
স্বাৰ্থৰ বাবে মানী লোককো দেখোন,
নিদিয়ে নকৰে মান ;
স্বাৰ্থপৰ মানুহ থাকে সদায় মজি,
স্বাৰ্থ লাভতেই সিহঁতৰ ধ্যান।
স্বাৰ্থৰ বাটত যদি কিবাকৈ পৰে,
কোনো ব্যক্তিৰ আঘাত,
গোটেই আকাশ খন যেন খহি পৰে
তাৰ নিজৰেই গাত।

আধুনিক সমাজ

আধুনিক যুগৰ সমাজ আজিৰ আধুনিকতাই
কত অনিয়ম কৰে তাৰ লেখ জোখ নাই।
সমাজৰ গুৰু দায়িত্ব অৰ্পি নতুন ধনীলোকক,
উচ্চস্থান নিদিয়ে সমাজত জুইয়ে পোৰা সোণক।
অপকৰ্ম কু-সংস্কাৰ ঘটিছে কিমান যে লুকুৱাই
সিবোৰো প্ৰকাশ পাব সীমা যেতিয়া চেৰায়।
মদ, ভাং, হত্যা, ধৰ্ষণ, বিবাদ, লুণ্ঠন ইত্যাদি জাগি,
কলুষিত হই আছে আমাৰ সমাজৰ ভাৱৰাজি।
ছল চাতুৰী প্ৰৱঞ্চনা সমাজৰ সৰ্বত্ৰে আগুৰি,
বিশ্বাসীলোক পাবলৈ টান আজি সমাজত বিচাৰি।
সাধুলোকৰ বিপদ হ'লেও পৰিণাম ভাল হয়,
প্ৰৱঞ্চকৰ সপক্ষেই প্ৰৱঞ্চক সকলে কথা কয়।
সত্যৰ সদায় জয় বচনটো জানিও সৰ্ব্বজন ,
মিছা বাতৰিৰে সমাজৰ কামবোৰ কৰে গোপন।
পেটে পেটে ঈৰ্ষা ভাৱ সমাজ সদস্যৰ ৰীতি নীতি,
অনৈক্য, দুৰ্নীতিত আজি সমাজ বিষাক্ত দিন ৰাতি।
অন্যায়, অবিচাৰে আগুৰিছে আধুনিক সমাজ আমাৰ,
ভৱিষ্যত প্ৰজন্মৰ বাট কৰিছে অধিক অন্ধকাৰ।
আধুনিকতাৰ ৰং ঢঙৰ নিচাত নপৰিবা ভাই,
প্ৰকৃত শিক্ষাৰ গুণ তোমাৰ উজ্বলিব সদায়।

অমূল্য সময়

সময় অমূল্য ধন হেৰা সংসাৰ বাটত,
বিদ্যা বুদ্ধি শিক্ষা ল'বা সদায় সঠিক পথত।
সময়ৰ মূল্য নুবুজে এলেহৱাহঁতে বোপা,
আৰু যিয়ে এৰাই চলে দৰকাৰী কামসোপা।
সময়মতে সকলো খিয়াল কৰিবা সুকীয়া,
জীৱন কটাবা ধৰাত অতি মুকলি মূৰীয়া।
য'তে ত'তে জৰুৰী কামবোৰ এৰি এৰি থই,
ফুৰিব নালাগে কোনেও ডলাব বগৰী হই।
যাৰ নাই চিন্তা ভয় অনেক কাম পেলাই থয়
ধোদৰ পচলা সি কৰে নষ্ট অযথা সময়।
ইহকাল পৰকাল ধৰাত ভাবি চিন্তি ধৰ্ম,
সংসাৰত কৰিবলগীয়া আছে বহুতো কৰ্ম।
সময় গুচি গ'লে জীৱৰ আয়ুস হ্রাস পায়,
বান্ধিব পাৰি সময়ক সৎ কৰ্মৰ দ্বাৰাই।
সময়ৰ মূল্য বুজা বহু জ্ঞানী গুণীলোকৰ
বুৰঞ্জীত জিলিকি আছে নাম সেই সকলৰ।
সময়ৰ গুৰুত্ব নুবুজাৰ নাই যে আদৰ,
জীয়াই থাকিলেও তেওঁলোক সহস্ৰ বছৰ।
জড়ৰ সম দাম নাই ধৰাত সিজনৰ,
যি জনে নাপায় বুজি অলপো মূল্য সময়ৰ।
সময়ৰ টিকণীটো জ্ঞানীয়ে আগফালে কয়
মূৰ্খই নষ্ট কৰে আজীৱন অমূল্য সময়।

ব্যৱহাৰ

ব্যৱহাৰ যি ব্যক্তিৰ ভাল নহয়,
সকলোতে লটি ঘটি সি খায়!
ভাল ব্যৱহাৰ কৰিলেহে আনক
একে ব্যৱহাৰ নিশ্চয় পায়।
ব্যৱহাৰত কৃত্ৰিমতাৰ ধাৰণা ,
যাৰ হৃদয়ত অকণো নাই ;
সেইজনেই প্ৰকৃত মহাপুৰুষ,
ব্যৱহাৰ ভাল তাৰ সৰ্ব্বদায়।
নিজৰ ঘৰত অসৎ ব্যৱহাৰ,
কেৱে যদি অহৰ্নিশে থাকে কৰি ;
কণ কণ মইনাহঁতে ল'ব শিকি
সেই আচৰণ অজ্ঞানত পৰি।
কোনোবা মানুহৰ আচল পৰিচয়,
তাৰ ব্যৱহাৰতেই বুজা যায় ;
ব্যৱহাৰৰ মধুৰতাতহে লোকে,
সকলোৰে পৰা সন্মান পায়।
আনৰ লগত সদ্ব্যৱহাৰ কাম্য,
নেৰাখি জাতি ধৰ্মৰ বৈষম্য,
মধুৰ ব্যৱহাৰৰ দ্বাৰাহে মানুহে
গঢ়িব পাৰে সমাজ কৰি ৰম্য।
নম্ৰ ভদ্ৰ সৰল ব্যৱহাৰ আনৰ লগত,
শৈশৱৰ পৰাই বাঞ্চনীয় ;
ব্যৱহাৰত উত্তম হ'লেহে মানুহে
সমাজত পাব সমাদৰ অতুলনীয়।

ভাগ্য গঢ়া সহজ

শৈশৱত আৰম্ভ হয় মানুহৰ,
স্বাৱলম্বন শিক্ষাৰ ;
ডেকা গাভৰু সকলোৰেই গুণটি
অতিকৈয়ে দৰকাৰ।
স্বাৱলম্বন সঁচাকৈয়ে মহৎ গুণ
এয়া সকলোৱে জানে,
জীৱন সংগ্ৰামত স্বাৱলম্বী লোকে
বাধা বিঘিনী নেমানে।
বিপদ জনক কামতো কেতিয়াও
নকৰে সিজনে সংকোচ ;
নিৰক্ষৰ হ'লেও জীৱন বাট তাৰ,
অতি পোন প্ৰতি খোজ।
প্ৰাচুৰ্য্যৰ শিখৰত উঠা সম্ভৱ,
স্বাৱলম্বন গুণত,
ঐশ্বৰ্য্যৰ ভঁৰাল ভৰপূৰ হয়,
স্বাৱলম্বীৰ ঘৰত।
দ্ৰুত গতিত আগবাঢ়ে উন্নতিত,
স্বাৱলম্বী লোক সমাজ,
স্বাৱলম্বন গুণৰ ফলত কিন্তু,
সুভাগ্য গঢ়া সহজ।
এই সংসাৰত নিদিয়ে কোনেও
ভাগ্য গঢ়ি সঙ্গী বুলি,
স্বাৱলম্বনতাইহে নিয়ে মানুহক
উন্নতিৰ জখলালৈ তুলি।

নৰ নাৰী

বিধাতাৰ নিষেধ বাক্য অমান্য কৰি,
নৰ নাৰী আহিল সুখৰ ঠাই এৰি।
আশ্ৰয় ল'লেহি পৃথিৱীত হায়!
ইয়াৰ বাহিৰে নাছিল উপায়।
নৰ নাৰীৰ আছিল বহুটো আয়ুস,
ৰ'লহি নিগাজীকৈ পৃথিৱীত দুয়ো।
মনৰ বিৰহ বেদনাত এদিন সিহঁতে,
পাতিলে নীৰৱে মেল এই বিশ্ব ব্ৰহ্মাণ্ডত।
তেতিয়াৰ পৰাই ধৰণীত উৎপত্তি এক মেলা,
যিটো মানৱ আবাদী বিস্ফোৰণ আচৰিত লীলা।
নৰ নাৰীৰ উপলক্ষ্যতেই পৃথিৱী এতিয়া,
জীৱ জগতৰ সকলোতে হ'ল শান্তি নাইকিয়া।

অদ্ভূত স্বভাৱ

দোষ গুণ ভাল বেয়া বিবেচনা শক্তি,
ইতৰ জাত প্ৰাণীৰ নাই।
মানুহৰ কল্যাণৰ বাবে সিহঁতক স্ৰজিলে ঈশ্বৰে
ভাৱিলে আঁচৰিত লাগে হায়!
বুদ্ধি জ্ঞান স্মৃতি গুণ থকাৰ কাৰণে,
বিশ্বত জীৱ শ্ৰেষ্ঠ মানৱ,
ধন দৌলত, নাৰী, মদৰ নিচাত,
মানুহ হয় যে দানৱ।
মানুহৰ অন্তৰৰ ভাব বুজা টান,
এয়া হেনো আধুনিক যুগ,
নিজৰ ভৰিত কুঠাৰ মাৰি হ'লেও
কতনা ভোগে দুৰ্ভোগ।
পৰচৰ্চা, পৰ নিন্দাত মানুহ মগন,
সভা সমিতিতে দেখা যায় ;
আনৰ দুৰ্গতি দেখিলে মানুহে
কেতিয়াও উভতি নেচায়।
ধৰ্ম অধৰ্ম পাপ পূণ্যৰ বিচাৰ
মানুহে নকৰে বৰ্ত্তমান,
পিন্ধন উৰণত দেখায় সৎলোক
হৃদয়খন বৰ পাষাণ।
সুচৰিত্ৰবান ন্যায় পৰায়ণ ব্যক্তি
সমাজত পাবলৈ টান,
কু চিন্তা কু কৰ্ম সদা সৰ্ব্বদায়,
হৃদয়ত লৈছে স্থান।
কোটিপতি হ'লেও নুগুছে মুঠেই
মানুহৰ বিভূতিৰ অভাৱ,
ধন দৌলতৰ লোভ সামৰিব নোৱাৰা
মানুহৰ অদ্ভুত স্বভাৱ।

অভিনয়

ধনী গুণী জ্ঞানী সন্ন্যাসী ইত্যাদি জনসমাজত,
সংকীৰ্ণ ঈৰ্ষা পৰায়ণ ভাব কঠিন অন্তৰত ;
বিশৃঙ্খল বিভেদকামী কৌশল অধিক মূৰত,
প্ৰভাৱশালী ক্ষমতা সম্পন্ন চিনাকি অ'ত ত'ত।
কৰি আছা অভিনয় সবল ৰাইজৰ আগত,
দুখীয়া দৰিদ্ৰৰ বন্ধু বুলি স্বদেশ আৰু বিদেশত।
ক্ষুদ্ৰ মতি ভাবলৈ কিমান দিন থাকিবা ধৰাত ?
কটাবা অমূল্য জীৱন ছল চাতুৰীৰ অহং বলত।
পৰিবা যিদিনা ফান্দত নিজেই যথাযথ স্থানত,
কিমান যে লাঞ্চিত হ'বা নিশ্চয় সকলো দিশত।
পৰিশেষত অপমৃত্যু ঘটিব লোক সমাজত ;
ইযে চিৰসত্য দৃষ্টান্ত অনেক আছে মৰতত।

অভাৱ

অভাৱ অভাৱ জনসাধাৰণৰ অভাৱ,
পৃথিৱীত প্ৰায় সকলোৰে অভাৱ ;
য'ত যিটো বস্তুৰ প্ৰয়োজন সেইটো নহ'লে,
পৰিবৰ্ত্তন মুঠেই যে অসম্ভৱ।
বিশ্বত ধনীৰো অভাৱ দুখীয়াৰো অভাৱ,
উভয়ৰ মনত কিন্তু ভিন্ন ভাৱ,
ধনী দৰিদ্ৰৰ গাত একেই তেজ তথাপিও
নাই তেওঁলোকৰ মাজত সদ্ভাৱ।
ধনৱন্তৰ ধন যিমানেই থাকক বাৰু,
আৰু সিমানেও সিহঁতক নোজোৰে ;
দুখীয়া নিচলা লোকে ধনৱন্তৰ সহায়
সদায় আকুলতাৰে বিচাৰি ফুৰে।
সংসাৰত দেখোন ধন সম্পদৰ বাঞ্ছা
পূৰ্ণ নহ'ব মানৱ জাতিৰ কাৰো
যদিও ঈশ্বৰে পৰ্বত সম ধন দিয়ে
ধনৱন্ত ব্যক্তি সকলক আৰু ।
এইখন পৃথিবীত আটাইবোৰ মানুহ
কেতিয়াও সম ধনৱন্ত নহ'ব
বিশ্বৰ সকলো মানুহ ধনৱন্ত হ'লেতো
কোনেও কাৰো আদেশ নমনা হ'ব।
দুখীয়া দৰিদ্ৰ নিছলা সকলোৱে মিলি
স্বাৱলম্বী হোৱাটো নিতান্তই উচিত,
ধনৱন্ত লোকৰ মুখা পেক্ষী হ'ব নালাগে
জীৱন কটাব নিশ্চয় শান্তিত।

আজিৰ বিশ্ব

জনবিস্ফোৰণত বিশ্বৰ দেশসমূহত ;
　　ক'ৰবাত জানো আছে শান্তি ?
ৰাজনৈতিক খোৱা কামোৰাত ঘটে নিতৌ,
　　দেশত নানা ধৰণৰ বিভ্ৰান্তি।
সৎ আৰু অসৎ ব্যক্তি মিলিয়েই নিশ্চয়,
　　দেশৰ শাসন ভাৰ লয় ;
শাসন পৰিচালনাত খোৱা কামোৰা লাগিলেই,
　　প্ৰজাৰ শান্তি বিনষ্ট হয়।
শক্তি বল যাৰ বিজয় পতাকা উৰে তাৰ
　　সঁচা জানো এই কথাষাৰ ?
স্থান পাত্ৰ কাল মানুহ আদি সুবিধাতহে
　　দুই এটা প্ৰমান দেখা যায় ইয়াৰ।
নীতি গৰ্হিত কৰ্ম কৰি কোনেও কাহানিও
　　নোৱাৰে সাৰিব জগতত ;
ৰজা মহাৰজা হওঁক সেইজন পুৰুষ,
　　দৃষ্টান্ত আছে বহুতো দেশত।
দেশ শাসকৰ নায়কজনৰ প্ৰয়োজন
　　অভিজ্ঞতা নিশ্চয় অধিক ;
ধনৱন্তৰ কথাতেই উঠা বহা দেখোন,
　　এতিয়া যুগ কিযে আধুনিক।
আজিৰ শাসনভাৰ বিশ্বৰ দেশবোৰত
　　চলাইছে শক্তিশালী ব্যক্তিগণ ;
অভিজ্ঞ বিদ্বান সুচৰিত্ৰবান সকলক
　　হেয় জ্ঞান কৰে প্ৰতি ক্ষণ।
মহান মহান ব্যক্তি থাকিলেও এই যুগত
　　কোনেও নলয় সেইসকলৰ গম গতি ;
নকৰে কদাপি দৃষ্টি তেখেত সকললৈ,
　　যদিও হয় প্ৰকৃততে দূৰদৰ্শী।
এয়াই আজিৰ আধুনিক যুগৰ জীৱশ্ৰেষ্ঠ
　　মানৱ জাতিৰ ৰীতি নীতি,
সেয়েহে জনবিস্ফোৰণমুখী আজিৰ বিশ্বত
　　ক'তো নাপায় কোনেও শান্তি।

দুটা বাট

বিশ্ব ব্ৰহ্মাণ্ড জুৰি শক্তিৰ আধাৰ যিজন,
সিজন অতি মহান।
আদি অন্ত আকাৰ বা বংশও নাই তাৰ,
অদৃশ্যত জ্যোতিষ্মান।
অপাৰ মহিমাৰে স্ৰজি ধৰণী তেওঁ তাত,
সকলোকে দিলে স্থান।
ৰহস্য বুজা অসাধ্য প্ৰভুৰ সৃষ্টিৰ কিন্তু
কেওঁ নাই তাৰ সমান।
শুনিছো মানৱ প্ৰভুৰ সৃষ্টিৰ ভিতৰত
সবাটোকৈ শ্ৰেষ্ঠ বুলি।
বিধাতাই মানুহক কিয় জানো ভাল পায় ?
কিয় কৰে হলি গলি ?
ঈশ্বৰেই মানুহক দিলেহি চিনাই মাত্ৰ,
সুনিৰ্দ্দিষ্ট দুটা বাট ;
জন্ম আৰু মৃত্যু সুখ দুখৰ বাট দুয়োটা
সংসাৰতেই বিখ্যাত।
মানৱ আত্মাই ভৱাই নাছিল ধৰাত পূৰ্ব্বে,
জন্ম মৃত্যুৰ কথা,
দিনে ৰাতিয়ে ভাবি চিন্তি সিবোৰে পাইছিল,
হৃদয় কোণত ব্যথা।
আহোঁতে সংসাৰত আত্মাই বাটত গোপনে
মাতৃৰ গৰ্ভত গই ;
মনে মনে ভাবিছিল অধিক এখোজো আৰু
নেযাওঁ কিন্তু আগলৈ।
ভাবি গুণি আগুৱাই ন'গই মানৱ আত্মা,
ৰ'লহি মাতৃ গৰ্ভত ;
সময় বাগৰি নিৰ্দ্দিষ্ট দিনত মানুহ ৰূপে
পালেহি এই জগত।
জন্ম আৰু মৃত্যু দুটা বাটেৰেই মানৱ জাতি
বিশ্বত আহিছে গৈছে।
কিমান দিন চলিব আৰু এই যাতায়ত
বিধাতাই জানো কৈছে ?
আহিছে মানুহ সংসাৰত চিঞৰি চিঞৰি
গইছে নিৰব হ'ই।
অহা যোৱা দুয়োটা দলেই থাকিব নিশ্চয়,
প্ৰভুৰ বাঙ্কোনত ৰৈ।

নগৰ চহৰ

নগৰ চহৰ অনেক ঘূৰিলোঁ
ধূলি বালিৰে লুতুৰি পুতুৰি হ'লো
বিপদত কাৰো সহায় নাপালোঁ,
সকলোৰে যেন অভাৱ দেখিলোঁ।
প্ৰধান এটি আদৰ্শ শিকিলোঁ,
সেইটো নিজৰ কামত ব্যস্ত সকলো।
মতা তিৰোতাৰ প্ৰভেদ নাই,
উভয়ে উভয়ৰ কামত সময় কটায়।
ইঘৰে সিঘৰে আন্তৰিকতা কম,
মাত কথাতহে দেখায় অতি মৰম।
প্ৰতিযোগিতা প্ৰায় সকলো ক্ষেত্ৰত
বিশ্বাস নকৰে কোনেও কাৰো কথাত।
আধুনিকতাৰ প্ৰভাৱ নগৰ চহৰত বেছি,
পুৰণি নীতি নিয়ম বহুতে যায় গছকি।
ধন দৌলতৰ পূজাৰী বহুতো
আনৰ ক্ষতি নকৰে কিন্তু অহেতু।
স্কুল কলেজবোৰ য'তে ত'তে অতি
দৃষ্টি ৰাখে ৰাইজে সেইবোৰৰ প্ৰতি।
নগৰ চহৰীয়া জীৱন বহুতৰ যদিও লটি ঘটি ;
গাৱঁলীয়া অনেকে লৈছে তাতেই বাসস্থানৰ মাটি।

বিধাতাৰ দান

আত্ম অভিমানী লোক অতি অহঙ্কাৰী মনৰ
কিয়নো ধৰে ভাও সি দেশ প্ৰেমিকৰ ?
জ্ঞানী গুণী জনা বুজা বুলি ধৰফৰাই সিজন,
সন্মান বিচাৰে তেওঁ ৰাইজৰ পৰা প্ৰতিক্ষণ,
আগনাবাঢ়ে, কিন্তু সমজৰ কামত অভিমানী,
যদিও সি নিজে দাবী কৰে অধিক জ্ঞানী গুণী।
অভিমানীৰ আকাঙ্খা কেৱল খ্যাতি অৰ্জন,
পৱিত্ৰ নহয় কদাপি তাৰ হৃদয়খন।
আনক উচ্চস্থানত দেখিলে ঈৰ্ষা শোকত,
সি ধৰে ভাও সমাজত যেন নম্ৰ ভকত।
অভিমানীৰ নাই কোনো সু নিৰ্দ্দিষ্ট ধৰ্ম,
আনৰ ভাল হওক বুলি নকৰে সি কোনো কৰ্ম।
পাবলৈ নাই অভিমানীৰ ক'তো আদৰ্শ,
তথাপি খোজে প্ৰতি মনৰ ভাৱ তাৰ হৰ্ষ।
দৃষ্টান্ত নাই ক'তো অভিমানীৰ সু কৰ্মৰ,
মন কানো নিদিয়ে নীতি নিয়ম ধৰ্মৰ।
সি জনে বিচাৰে আকউ সমাজত আদৰ
পোৱাও নাই আশীৰ্ব্বাদ মহাপুৰুষৰ
নপতা ফুকনৰ দৰে তথাপিও দৌৰে,
সদা সন্মানৰ লোভতেই সি সমাজত ঘূৰে।
সন্মান পুতলাৰ খেল নহয় সমাজৰ,
অভিমানীয়ে জানো ক'ৰবাত পায় সমাদৰ !
সন্মানৰ আশাত বলি দি কৰ্ম নিজৰ
পৰিশেষত নাম পায় সি দালাল মানুহৰ।
সন্মান নিজে গঢ়া বস্তু নহয় সংসাৰৰ,
ই যে বিধাতাৰ দান প্ৰতিজন মানুহৰ।

ঘৰ সংসাৰ

চিৰ দিন জীয়াই নাথাকে কোনেও হেৰা,
গুছি গ'ল সৱৰে পূৰ্ব্ব পুৰুষ সংসাৰৰ পৰা।
কেইদিননো জীয়াই থাকিম আমি আৰু
তৰ্ক বিতৰ্ক ইজনে সিজনে কিয়নো কৰোঁ।
কত লোকৰ সংসাৰত কিমান যে আনন্দ,
অন্ন বস্ত্ৰৰ বাবে আকউ এচামৰ মন সদায় বিষন্ন।
ঘৰ সংসাৰ পাতি আজি ডেকা গাভৰুৱে হায় !
এজনক এৰি থৈ আনজনে শান্তি নাপায় ;
ঘৰ সংসাৰ নাপাতিলেও অসুবিধা বহু ;
নাপাব সংসাৰত ক'তো শহুৰ শাহু
পুত্ৰ কন্যাৰ আশাতো ধৰাত দূৰৈৰ কথা,
মানৱে পাব হৃদয়ত বৈ বৈ কিমান ব্যথা।

ভাল পাও মই

ভাল পাও মই পৃথিৱীৰ আহ্নিক গতি,
যাৰ ফলত ধৰণীত সৃষ্টি দিন আৰু ৰাতি।
ভাল পাও মই বিশাল আকাশৰ বুকু,
খেলি থাকে ডাৱৰে তাত উলাহত লুকাভাকু।
ভাল পাও মই সেউজী ধৰণীৰ পৰ্বত পাহাৰ,
সৌন্দৰ্য্য বিলাই থাকে সিবোৰে নিজৰ নিজৰ।
ভাল পাও মই বায়ু পানী সূৰ্য্য আকাশ পোহৰ
সিবোৰ অতিকৈ প্ৰয়োজন জীৱ জগতৰ।
ভাল পাও মই শস্য ভৰা ধুনীয়া পথাৰ,
বতাহত ঢৌ খেলি জুৰায় হিয়া কৃষকৰ।
ভাল পাও মই সন্ধিয়াৰ আকাশৰ তৰা
সূৰ্য্য অস্তত দেখা যায় বহু দূৰৈৰ পৰা।
ভাল পাও মই গভীৰ অৰণ্য হাবিক,
ঈশ্বৰত মগ্ন শুনিছো তাত সাধু সন্ন্যাসীক।
ভাল পাও মই প্ৰকৃতিৰ সুনিপুন সৃষ্টি,
শুধৰাব নালাগে সিবোৰৰ কোনো ভুলভ্ৰান্তি।
ভাল পাও মই শ্ৰেষ্ঠ মানৱ জাতিক,
যি সকলে চৰণ সেৱীলে সাৰুৱা মাটিক।
ভাল পাও মই হাঁহি মুখ বুঢ়া বুঢ়ীৰ,
যদিও আন্তিম কাল সিহঁতৰ জীৱন গতিৰ।
ভাল পাও মই চেনেহৰ গুৱনি গাওঁ,
স্বৰগৰ শান্তি আমি তাত সকলোৱেই পাও।
ভাল পাও মই সকলোৰে আই বোপাই,
নকৰিবা অৱহেলা কেৱে তেওঁলোকক ভাই।
ভাল পাও মই অসমী আইৰ গুণবোৰ,
প্ৰাকৃতিক সৌন্দৰ্য্য ৰাজি অতিমনোহৰ।

অধম

আই বোপাইৰ চেষ্টাতে হেৰা,
হৈছা বিদ্বান পুৰুষ।
বিষয়া পদ এটি পাই অতি
আনন্দত হৈছা হৰষ।
দীপ লিপ পাত্ৰী সুন্দৰী জনী,
পত্নী ৰূপে বাছি লৈছা ;
সন্তানো লাভ কৰি এটি দুটি
আত্মীয়ক পাহৰিছা।
এনেকৈয়ে দিন বাগৰি বাগৰি
সমাজত হৈছা জ্ঞানী ;
ভাৰ্য্যা পুত্ৰ কন্যাক লই তুমি
চতুৰ্দিশে হ'লা ধনী।
সাজিলা অট্টালিকা লিখাইছা,
তাতেই অমৰ বাণী ;
ভাবিছা তুমিয়েই সংসাৰত
সবাতোকৈ বেছি মানী।
দৰিদ্ৰ নিচলা সঙ্গী আত্মীয়,
ভাই ককাই বাই ভনী ;
লালন পালন নকৰা হায় !
মা দেউতাকো তুমি।
সিহঁতৰো চৰ্ত আছে নিশ্চয়
তোমাৰ চোৱা চিতাৰ,
নকৰা মুঠেই এধানো চিন্তা
তুমি ধৰ্মৰ বিচাৰ।
ধনী মানী জ্ঞানী গুণী সন্মানী,
সমাজত হ'বা যেতিয়া ;

দুখীয়া দৰিদ্ৰৰ প্ৰতি দায়িত্ব,
নিশ্চয় থাকে তেতিয়া।
হিংসা বা গৰ্ব্বেৰে সিহঁতক
যদিও দেখুৱা মানী
দানৱৰ কাম হ'ব এইটো
মহাপুৰুষৰ বাণী।
আত্মীয় পৰিয়ালৰ মানুহ
যদিওবা হয় দুষ্ট ;
সুদৃষ্টিৰেই চোৱাটো উচিত
মনটো কৰি তুষ্ট।
বিদ্যা বুদ্ধি ধন দৌলত থকা,
বহুতো ডাঙৰ লোকে ;
নিচলা আত্মীয়ৰ চিন্তা নকৰে
কেনেকৈ আছে ভোকে।
সেইবোৰ ব্যক্তিয়েনো আনৰ
কৰিব কি উপকাৰ ;
নৰৰ অধম সেই সকল
সুন্দৰ বসুন্ধৰাৰ।

অসমী আই

অসম আমাৰ জনম ভূমি,
অসম আমাৰ আই ;
অসমৰ কল্যাণৰ হকে
আমি মাতিম সৰ্বদায়।
অসম দেশত জন্মালে আমি
নিশ্চয় পূণ্য আৰ্জিছো ;
অসমৰ বায়ু পানী পাই
স্বৰগত যেন আছোঁ।
অসম আমাৰ অতি চেনেহৰ
আপোনতকৈয়ো আপোন ;
নোৱাৰো কৰিব ব্যাখ্যা ভাষাৰে
অতিশয় বিতোপন।
অসমৰ সম্পদ ৰাজি কাঠ
পেট্ৰল চাহ পাত গঁড় আদি ;
বিশ্বত পাবলৈয়ো টান আজি
ৰখা নাই কোনেও ক'তো সাঁচি।
তৰহে তৰহে উভৈনদী হৈ
নানা শস্যৰে ধুনীয়া ;
অসমৰ দৰে সুন্দৰ দেশ
বিশ্বৰ ক'তো নাইকিয়া।
পূৰ্ব দিশৰ সূৰ্য্য উঠা অসম
বিশাল ভাৰতবৰ্ষ।
সৰ্বধৰ্মৰ মানুহ মিলি জুলি থাকে,
সদায় মনত বিৰাজে হৰ্ষ।
বনজ সম্পদ কাঠ অগৰু চন্দন
ভৰা অসমৰ বুকু ;

চোৰাং বেপাৰীহঁতৰ পৰে,
সেইবোৰতেই চকু।
অসম আইৰ এশিঙিয়া গঁড়,
গোটেই বিশ্বত খ্যাত ;
সংৰক্ষিত আছে সেইবোৰ,
সকলো লোকৰ জ্ঞাত।
অসমৰ মাজুলী নদী দ্বীপ,
আজি জগত বিখ্যাত ;
উৎপন্ন অধিক পৰিমাণ
অসমত চাহপাত।
মহাবাহু ব্ৰহ্মপুত্ৰ গইছে
অসমৰ মাজেদি বৈ ;
লুইতৰ পানীৰে ধুই আই
থাকে সদায় নিকা হৈ।
হাজোৰ পোৱামক্কা হয়গ্ৰীৱ মাধৱ
অসমৰ মিলন তীৰ্থ ;
তাতেই বহি তপস্বী সকলে সদাসৰ্বদায়
শাস্ত্ৰৰ বখানে অৰ্থ।

কিয় পাহৰিলে

আদিম যুগৰ মানুহ আছিল জীয়াই
গছৰ ফল মূল ইত্যাদি খাই ;
জীৱ জন্তুৰ কেঁচা মাংস কৰিছিল ভক্ষণ
কেতিয়াবা একোকে নাপাই।
ফুৰিছিল সিহঁতে দল বান্ধি বনে বনে,
ঘনাই সলাই অনেক ঠাই ;
গভীৰ অৰণ্যতহে লইছিল আশ্রয়,
তেওঁলোকে চাইচিতি সদায়।
ডাঙৰ গছ গছনিলৈ কৰিছিল ভয়,
পৰ্বত পাহাৰকে আদি কৰি ;
বিজুলী ঢেৰেকনিৰ শব্দত তেওঁলোকে
পলাই ফুৰিছিল লৰালৰি।
এনেকৈয়ে দিন বাগৰি বাগৰি মানুহে
শিকি ল'লে ব্যৱহাৰ জুইৰ ;
পিন্ধন উৰণতো সিহঁতে দিলেহি মন
গছৰ পাত আৰু বাকলিৰ।
লাহে ধীৰে পৰিবৰ্তন হৈ আদিম মানুহে
বুজিলে নিয়মনীতি আজিৰ ;
শিক্ষা দীক্ষা বিদ্যা বুদ্ধিৰে নঙঠা মানুহ
জীৱ শ্ৰেষ্ঠ হ'ল যে পৃথিৱীৰ।
বিধাতাৰ কৃপাত জীৱ শ্ৰেষ্ঠ মানৱেই
বগালে গৈ জখলা উন্নতিৰ,
দান কৰিলে আৰামদায়ক জীৱন,
বৈজ্ঞানিকে মহান মানৱ জাতিৰ।
এইদৰে সভ্যতাৰ পোহৰত জিলিকি,
মানৱে ভাৰসাম্য হেৰুৱাই ;

বিজ্ঞানৰ বলতেই আৱিষ্কাৰ কৰিলে,
মাৰণাস্ত্র বন্দুক বাৰুদ হায়!
কঁপাই তুলিলে বিশ্ববাসীক বিবিধ
যুদ্ধ অস্ত্র আৰু এটমিকবোমাই ;
শত্রুৰ বিৰুদ্ধে যুঁজিবলৈ চিন্তাত বিভোৰ,
বহুতো দেশৰ ৰজা প্ৰজাই।
ইটো সম্প্ৰদায়ে সিটো সম্প্ৰদায়ৰ বিৰুদ্ধে,
নানান কৌশলেৰে ফন্দি পাতি ;
সংঘৰ্ষ বিবাদ কন্দল আদিত মগ্ন সদায়,
অনেক দেশ অনেক জাতি।
হিংসাত জৰ্জৰিত হৈ আজিৰ মানুহ,
কিমান যে কুকৰ্ম্মত অস্থিৰ ;
প্ৰাণৰ ভয়ত ল'লে সহস্ৰই বাসস্থান
শত শত আশ্ৰয় শিৱিৰ।
প্ৰায়বোৰ দেশত যুদ্ধ বিগ্ৰহ এতিয়া,
বহুদিন ধৰি আছেই চলি ;
এখন দেশে আন এখন দেশক জানোচা,
নকৰা হ'ল সহায় সমূলি !
আধুনিক যুগৰ শ্ৰেষ্ঠ মানৱ জাতিৰ
এয়াই জানো সভ্যতাৰ অগ্ৰগতি ?
সুসভ্য মানৱ জাতিয়ে কিয় পাহৰিলে,
শান্তি সমন্বয়ৰ ৰাজনীতি।

চেষ্টা

বিফল বিফল সকলোতে বিফল
চেষ্টা নকৰাকৈ কিয় বাৰু কয় ?
আপ্ৰাণ চেষ্টা কৰি কৰি বিফল হ'লেও,
সেয়া বিফল হোৱা বুলি নকয়।
একাণপতীয়া চেষ্টাত সকলোৰে
অভিজ্ঞতা হয় কৰ্মত নিশ্চয়,
চেষ্টা নকৰাকৈ সংসাৰত কদাপি,
উজু কামো দেখোন সিদ্ধি নহয়।
মানুহৰ অসাধ্য একো নাই হেৰা,
আপ্ৰাণ চেষ্টা সদা যদিহে কৰা
হাত সাবটি বহি থাকিলে ঘৰত
জীৱন্তে হবা যেন মৰা।
আদিম মানুহ ফুৰিছিল হাবিত,
অতীতত একেবাৰে উদং হই;
চেষ্টাৰ ফলতে পৃথিৱীৰ বুকুত,
খেতি বাতি কৰাও জানিলে গই।
চেষ্টাৰ অবিহনে আজিও মানুহ,
থাকিলেহেঁতেন আদিম যুগত ;
আধুনিক যুগত দিলে ভৰি নৰে,
লাহে ধীৰে সদায় চেষ্টাৰ বলত।
চেষ্টাৰ ফলত ঘৰতেই মানুহে,
এতিয়া দূৰৈৰ দৃশ্যপট চায় ;
হাজাৰ মাইল দূৰ বন্ধুৰ ঘৰতো
নিমিষতে খবৰ আদি পঠায়।
চেষ্টাৰ বলত মানুহে আকাশত
দিনে ৰাতি উৰি উৰি ঘূৰি ফুৰে ;
চন্দ্ৰতো পদাৰ্পণ কৰিলেহি নৰে,

আধুনিক যুগত চেষ্টাৰ জোৰে।
চেষ্টাৰ বলতেই মানুহে সাঁতুৰি,
পাৰ হয় সাগৰ মহাসাগৰ ;
পৰ্বত পাহাৰ দুৰ্গম কন্দৰত,
নিৰ্মাণ কৰিছে বিতোপন ঘৰ।
চেষ্টাৰ ফলতে আৰোহণ কৰিছে,
সুউচ্চ শৃংগ হিমালয় পৰ্বত ;
বিজয় কৰিলেহি এভাবেষ্ট শৃঙ্গ
সুনাম ৰাখিলে মানৱে বিশ্বত।
ৰোগ বেমাৰ আদি নানা দুৰাৰোগ্য
ব্যাধিত অনবৰত আছে ভোগি ;
চেষ্টাৰেই আৱিষ্কাৰ কৰিলে মানুহে,
নানাবিধ ঔষধ দৰৱ আদি।
চেষ্টাৰ ফলতেই দেশ বিদেশত,
মানুহে বহুতো বিদ্যা শিকি বুজি,
বিশ্ব ব্ৰহ্মাণ্ডৰ বুকুত চলাইছে,
প্ৰভূত্ব আকাশ পাতাল ভেদি।
থমাচ্ আলভাই কৰিছিল চষ্টা,
আচৰিত জ্ঞান বিজ্ঞানৰ প্ৰতি,
শাক পাচলি আদি বিক্ৰিৰ বাহিৰে
তেওঁৰ নাছিল অন্য কোনো গতি।
মূলত আৱিষ্কাৰক হ'ল তেওঁ পিছে
বৈদ্যুতিক চাকি গ্ৰামোফোন চিনেমা,
মহান বিজ্ঞানী এডিচনৰ বিষয়ে,
নিশ্চয় সকলোৰেই আছে জনা।
চেষ্টাৰেই হয় পৃথিৱীত মানুহ,
সকলোতেই বিখ্যাত নামী দামী ;
বিনা চেষ্টাত কৰ্ম সিদ্ধি নহয় কাৰোবে
সংসাৰত কেতিয়াও আপোনা আপুনি।

পিতৃ মাতৃ

পিতৃ মাতৃ শিক্ষা গুৰু দীক্ষা গুৰু
সন্মানৰ পাত্ৰ সদায় ;
যাৰ দ্বাৰাই শ্যামলী ধৰণীখনৰ সতে
আপোনত্বৰে হওঁ পৰিচয়।
সন্তানৰ বাবে পিতৃ মাতৃ উভয়ে,
কিমান যে ধৈৰ্য্য ধৰি ৰয় ;
কষ্টোপাৰ্জিত অৰ্থ ব্যয় কৰি সদা
পোহ পাল দিয়ে নকৰে সংশয়।
সন্তানৰ মংগল সদ ভাৱনা চিন্তা
পিতৃ মাতৃয়ে কৰে সৰ্বক্ষণ,
মাহ বছৰ যুগ কটায় সিহঁতে
ধৈৰ্য্য ধৰি ওৰেটি জীৱন।
পিতৃ মাতৃৰ অমূল্য সম্পদ সন্তান
এইখন বিচিত্ৰ সংসাৰৰ
কাৰো লগত নহয় তুলনা মুঠেই
ৰীতি নীতি এই জগতৰ।
সন্তানৰ কল্যাণৰ বাবেই কেৱল
পিতৃ মাতৃ শত শত জনে ;
কঠোৰ পৰিশ্ৰম কৰি সন্তানক
কিমান ধৰণে ৰাখে যে যতনে।
সন্তান সন্ততি পিতৃ মাতৃৰ প্ৰিয়
নিজৰ প্ৰাণতকৈয়ো অধিক ;
সন্তানহীনা দম্পত্তিয়ে নেজানিলেও
কথাটো কিন্তু নিশ্চয় সঠিক।
পিতৃ মাতৃৰ সবাতোকৈ আপোন
সংসাৰত সুসন্তান সন্ততি।
যি সন্তানে নকৰে দৃষ্টি সিহঁতক
সাধিব নোৱাৰে জীৱনত উন্নতি।
প্ৰভূৰ পিছতে পিতৃ মাতৃ আমাৰ

ভক্তিৰ পাত্ৰ বুলি জানিবা
জীয়াই থকালৈকে তেখেতসকলক
সদায় একান্তে যত্ন ল'বা।
পিতৃ বা মাতৃক সন্তান সন্ততিয়ে,
যদি ভাল চকুৰে নেচায় ;
জীৱনত সেইসকল সন্তানে
শান্তি বিচাৰি কদাপি নাপায়।
পিতৃ মাতৃৰ অভিশাপ কোপদৃষ্টি
নাহক কেতিয়াওঁ কিঞ্চিত ;
বাধা বিঘিনিয়ে নোৱাৰে কৰিব স্পৰ্শ,
জীৱন কটাবা শান্তিত।
নিজৰ পিতৃ মাতৃ যদিওবা হয়,
নিঃকীন দুখীয়া নিচলা,
তেওঁলোককেই শ্ৰেষ্ঠজন ভাৰি,
খাবা দুসন্ধ্যা দুবেলা।
দৰিদ্ৰ নিচলা দুখী যদিও হয়,
মহান পিতৃ মাতৃ নিজৰ;
ৰজাতকৈয়ো অধিক সন্মান কৰিবা,
স্বদেশৰ বা বিদেশৰ।
পিতৃ মাতৃৰ আজ্ঞামানি সংসাৰত
যদি নচলে কোনোবা জন
নোৱাৰে কৰিব উন্নতি জীৱনত
এয়াই তাৰ প্ৰকৃত লক্ষণ।
পিতৃ বাক্য পালন কৰি শান্তি প্ৰিয়,
ৰজা দশৰথৰ পুত্ৰ ৰামে,
খাটিছিল বনবাস চৈধ্য বছৰ,
বিশ্ববাসীয়ে আচৰিত মানে।
পিতৃ বা মাতৃৰ আশীৰ্ব্বাদৰ পৰা
বঞ্চিত সংসাৰত যিজন
তেওঁতকৈ দুৰ্ভগীয়া নাই বিশ্বত
মহাপাপীষ্ঠ ব্যক্তি সিজন।

সিপুৰীৰ চিন্তা

ঈশ্বৰৰ আচৰিত সৃষ্টি,
মহা যমদূত অৱতাৰ ;
আহিবই ধৰাত সি প্ৰাণী আৰু
মানৱৰ কাষলৈ এবাৰ।
কোনেও নোপোৱাকৈ অকণো গম,
উভতি যাব প্ৰাণ বায়ুলৈ ;
শোকৰ বাতৰি কৰুণ সুৰেৰে
প্ৰাণী জগতক জনাই থৈ।
উৰিব এদিন নহয় এদিন,
সি অমূল্য আত্মালৈ সবাৰ ;
কতনা প্ৰাণী মানৱ শিশু আৰু
বুঢ়া বুঢ়ী মতা তিৰোতাৰ।
ৰজা মহাৰজা কাৰো সাধ্য নাই,
মৃত্যুক পৰাজয় কৰাৰ ;
মাটিৰ লগত বিলীন হ'বই
সুন্দৰৰ পূজাৰী দেহাৰ।
বিধাতাৰ ৰহস্যৰ সৃষ্টি আত্মা,
কিন্তু ধ্বংস নাই তাৰ ;
পাপ পুণ্যৰ হিচাপ সিপুৰীত
নিশ্চয় হ'ব আমাৰ আত্মাৰ।
জানিও নজনাৰ ভাও ধৰি মানুহে,
সমূলি পাহৰি সেই কথাষাৰ,
এবাৰো নকৰে চিন্তা মনে প্ৰাণে,
কোনেও হায় সৃষ্টি কৰ্ত্তাৰ।
নকৰে নকৰে কাহানি স্বীকাৰ,
মহাদান মহান দাতাৰ ;

লাহ বিলাসতে সকলোৰে ইচ্ছা,
ধৰাত জীৱন কটোৱাৰ।
সংসাৰৰ সকলো মিছা হেৰা,
ইয়াৰ সব কিছু অসাৰ ;
তথাপিও ভাৱিবৰ সময় যে
বিন্দু মাত্ৰও নাই আমাৰ।
ইহকাল আৰু পৰকাল আমি,
অৱহেলা কৰি দুয়োকাল
ভোগ বিলাসতে সংসাৰত থাকো
যেন টৌপনিত লালকাল।
সংসাৰৰ মায়াজালত পৰি,
ভোলগৈ দিন ৰাতি
পৰকাল পাহৰি সংসাৰৰ মোহত ঘূৰো
লাঞ্চনা খাই জীৱন দিলেও ভাটী।
তথাপিও শ্ৰেষ্ঠ মানৱ জাতিৰ
কাবোৰে গাত নাহে চেতনা ;
পাপ কৰ্মৰ ৰেহাই নাই সিপুৰীত
জানিও ধৰে ভাও নজনা।
শান্তিৰ কামনা যদিহে সিপুৰীত
নিজৰ অবিনাশী আত্মাৰ,
অন্তৰেৰে কৰিবা প্ৰাৰ্থনা সদা
জগত গুৰু সৃষ্টিকৰ্ত্তাৰ।

মৃত্যু

হে মৃত্যু ! তুমি মহান এই সংসাৰত
ৰোগ ব্যাধি যন্ত্ৰণাত ভোগী থকা,
প্ৰাণী মানৱৰ কষ্টৰ সমাধান,
কৰি দিয়া অৱশেষত।
হে মৃত্যু ! তুমি অতি উত্তম যিহেতু,
জেদি আৰু নিৰাশাবাদী লোক বহুতৰ,
কোনেও নোপোৱাকৈ অকণো গম,
চিপজৰীত ওলোমাই নিয়া আত্মা সিহঁতৰ।
হে মৃত্যু ! তুমি নিশ্চয় প্ৰশংসাৰ পাত্ৰ
নিয়া যেতিয়া প্ৰাণ চিৰশত্ৰু মানৱৰ
অত্যাচাৰী নিষ্ঠুৰ অমানবীয় লোকৰ
আৰু নিচলা অসহায় বুঢ়া বুঢ়ী আলৰ।
হে মৃত্যু ! তুমি নিষ্ঠুৰ কাঢ়ি নিয়া কিয়নো আত্মা,
হিতাকাংক্ষী দেশকৰ্মী সুযোগ্য দেশমাতৃ সন্তানৰ
উদং কৰি বুকু স্ত্ৰী পুত্ৰ কণ্যা আৰু
সহস্ৰ দেশবাসী জনসাধাৰণৰ।
হে মৃত্যু ! তুমি অতিশয় কঠোৰ হৃদয়ৰ,
কতনা মাতৃৰ শুদা কৰি বুকু
কাঢ়ি লোৱা নিষ্পাপী শিশুৰ আত্মা
কিমান পিতৃৰ অবুজ সন্তানৰ।
হে মৃত্যু ! তুমি পাষাণ আছে বাস্তৱ নিদৰ্শন,
কোনেও নুবুজে তোমাৰ কৰ্মৰ ধৰণ,
নিয়া যেতিয়া উলাহতে ফুৰা ক'ত
যুৱক যুৱতীৰ মধুৰ কল্পনা ৰচা প্ৰাণ।
ৰজা মহাৰজা জ্ঞানী গুণী ধনী দৰিদ্ৰ
সত্যবাদী মিছলীয়া অন্ধ বিকলাংগ কোনেও
নোৱাৰে মৃত্যুৰ পৰা সাৰিব হাত,
নিয়তিৰ নিয়ম নহয় লৰচৰ ধৰাত।
হে মৃত্যু ! আহিবই এনে ভাব মানুহৰ মনত,
ভয় নকৰা হ'ব বহুতে তোমাক
যদিও ঘূৰি ফুৰা আকাশ পাতল নিবিয়ে
এই বিশ্ব ব্ৰহ্মাণ্ডৰ অ'ত ত'ত।
নকৰে নকৰে অপদাৰ্থ মৃত্যুক ভয়,
নিৰ্ভীক নিঃস্বাৰ্থবাদী পৰোপকাৰীহঁতে নিশ্চয়,
নোৱাৰিলেও ৰুধিব মৰণক সিহঁত
মহৎ কৰ্মৰ ফলত অমৰ হ'বই বিশ্বত।

সংসাৰ

অসাৰ অসাৰ কোনে কৈছে অসাৰ ?
আমাৰ এইখন সংসাৰ
বিধাতাই বাৰু কিয় সৰজিলে
ভূমি সাগৰ মহাসাগৰ।
কতনা নদী মহানদী উপনৈ জান জুৰি,
বৈ যায় কিমান নিজৰা নিগৰি ;
ঈশ্বৰৰ সৃষ্টি এইবোৰ এনেই বুলি ;
কিয় বাৰু কয় চিন্তা নকৰি !
গছ গছনি পাহাৰ পৰ্বত আদিৰে
কিমান সুন্দৰ শ্যামলীমা,
চালে চকুৰোৱা প্ৰকৃতিৰ শোভা,
তুলনা বিহীন নাই ক'তো তাৰ উপমা।
কতনা ৰং বিৰঙৰ চৰাই চিৰিকতি
দিনে নিশা ফুৰে নাচি বাগি,
বিতোপন সৌন্দৰ্য্যৰে সংসাৰ লীলাভূমি,
অগণন সৃষ্টিৰে আছে জাগি।
বিশাল আকাশ লৈ চকু ফুৰালে সদায়,
শান্তি আহে মন লই
জোন বেলি তৰা ডাৱৰ আদি
আকাশত উজ্বলে উপাদেয় হই
বিলায় মৰতত সদা আনন্দৰ জিলিঙনি
সকলোকে সমান কৈ।
বিধাতাৰ অপাৰ মহিমা অগনন সৃষ্টি,
অকাৰণে কৰা নাই ধৰাত ;
সংসাৰখন অসাৰ বুলি ভাবিলে মনত

প্ৰেম প্ৰবৃত্তি নাথাকিব হিয়াত।
সংসাৰত কৰিবলগীয়া আছে কৰম,
মানৱৰ অলেখ জৰুৰী;
মতা তিৰোতা এনেই শ্ৰদ্ধা নাই ঈশ্বৰে
ভক্তইহে জানে আঁতিগুৰি।
ইখন সমাজে যদি সিখন সমাজক
নিস্বাৰ্থ ভাৱে সহায় কৰে ;
অসাৰ বুলি বিতোপন সংসাৰ খনক
কোনেও ভাৱিবই নোৱাৰে।
ইখন দেশৰ সতে সিখন দেশৰ মানুহে
অসদ্ভাব ৰাখিব নালাগে,
একতাৰ ভাৱেৰে কৰ্ম কৰিলে ধৰাত,
সকলোৱেই শান্তি পাব চাগে।
ইজনে সিজনে মিলা প্ৰীতিৰে থাকিলেহে
আৰ্জিব পাৰিব সংসাৰত সুনাম ;
সদ্ভাৱেৰে সকলোকে সন্তুষ্ট কৰাটোও
নিশ্চয় মানুহৰ পুণ্যৰ কাম।
উদাৰ হৃদয়েৰে সহায় কৰিলে ইজনে
প্ৰয়োজনত আনজনৰ
অন্তৰৰ পৰা কূৰ্চুট কপটতা ভাৱ ইত্যাদি
আঁতৰিব নিশ্চয় মানৱৰ।



নিবনুৱা

নিবনুৱা নিবনুৱা আমি বোলে,
অসমৰ এলেহুৱা নিবনুৱা ;
কি দৰে যাব নিবনুৱা জীৱন,
চাকৰি বিচৰা মাথোঁ বিড়ম্বনা।
অনবৰত নিবনুৱা বচন,
অতি ধৈৰ্য্যেৰে কৰি আছো গ্ৰহণ ;
আমি নিবনুৱাই ল'মেই পণ,
পাতিম এতিয়া সংসাৰ জীৱন ;
হ'ম গৈ প্ৰত্যেক জন নিবনুৱা
একো একোজন সংসাৰ বণুৱা।
ডেকা গাভৰু অসীম সাহসেৰে
আগুৱাই যাম সদা উচ্চ শিৰে,
কৰ্ম্ম সংস্থাপন উলিয়াম থুজি
সংসাৰ যুঁজৰ বাট ল'ম বুজি।
এলেহুৱা হৈ কিয় মাতো মৰণ
ব্যৱসায় কৰি আৰ্জে লোকে ধন ;
চাকৰিৰ পদ নিচেই তাকৰ
অকৰ্মণ্য অসম চৰকাৰৰ।
নিবনুৱাৰ প্ৰাচীৰ অসমৰ
নিঃশেষ কৰিম নিশ্চয় দেশৰ।
আমাৰ পণ এতিয়া প্ৰত্যেকৰ
মুখা পেক্ষী নহওঁ আৰু আনৰ
অসম আইৰ বিশাল বুকুত
সঞ্চিত অগণন গুপ্ত সম্পদ
লোৱা নাই আমি বিচাৰি বুটলি
আজি লৈকে সিবোৰৰ কোনো এটি।

কৰ্মবীৰৰ গুণসমূহ আৰ্জি,
ল'ম গমি সেইবোৰ এই বেলি ;
জননীৰ শুচি সন্তান সন্ততি
নিবনুৱা কিয়নো হ'লোহি আমি।
ডেকা গাভৰুহঁতে কৰিম জব্দ,
কেৱে যদি মাতে নিবনুৱা শব্দ।
স্বাৱলম্বী সন্তান সহস্ৰ কোটি,
জন্মভূমি অসমত গঢ়ি উঠি ;
দেশ মাতৃক কৰিম অতি উচ্চ,
নকৰা হ'ব কোনেও কাকো তুচ্ছ।
গান্ধীজীৰ গুণবোৰ আৰ্জি ল'ম,
শ্ৰম কৰি ডাঙৰ মানুহ হ'ম ;
চাকৰি বিচাৰি হাবাথুৰি খাই,
সৰ্বহাৰা হই ঘূৰি লাভ নাই ;
ওৰ পৰক নিবনুৱা দেশৰ
শান্তি পাব তেতিয়া অসমী আই।

সপোনৰ পৃথিৱী

দুদিনৰ বেহা এই পৃথিৱী
সৎলোকৰ হ'বই সদগতি।
হিংসাত জৰ্জৰিত হৈ মানুহে,
কৰি থাকে গৃহ কন্দন আদি।
আধুনিক যুগৰ ৰীতি নীতি
দেখিলে আচৰিত লাগে অতি,
কি কৰিম কি নকৰিম ভাৱি,
ঘৰ মূৱাহে মই পালোহি ৰাতি।
দুখে ভাগৰে ঘৰলৈ আহি,
দীঘল দি বিচনাত শুলোহি।
গভীৰ ৰাতি টোপনিত গই,
দেখিলো সপোন লালকাল হৈ ;
অতি সুন্দৰ পৃথিৱী এখন,
সুনিপুন কৈ গঢ়িলো যিখন ;
আমাৰ পৃথিৱীৰ দৰেই সিটো,
সপোনত মই গঢ়িলো যিটো।
পাৰ্থক্য মাথোন এটাই আছে,
মানুহৰ স্থান নাই বুজিছে ?
জীৱ জন্তুবোৰ মিলা প্ৰীতিৰে,
বেচ্ আৰামতেই বাস কৰে ;
বনত থকা পশু পক্ষী বোৰে,
নিতে উলাহতেই নাচি ফুৰে।
বিল খাল আদিত মাছবোৰে,
কত আনন্দত সাঁতুৰি ভাঁহে
সপোনৰ পৃথিৱীখন এৰি,
সিহঁত আমাৰ ধৰালৈ নাহে।
নদ নদী সাগৰবোৰ তাৰ,
অতি নীৰৱ গহীন গম্ভীৰ।
চন্দ্ৰ সূৰয তৰা নক্ষত্ৰ আদি
সদায় নিজৰ নিজৰ কামত স্থিৰ।
গৃহ কন্দল বেমাৰ আজাৰ,
পৃথিৱীখনত নাই অকণো

চোৰ ডকাইতৰ ভয় আদি
নাই তাত অত্যাচাৰ কোনো।
সপোনত গঢ়া পৃথিৱীখন,
অতিশয় বিতোপন সুস্থিৰ ;
শাসকৰ প্ৰয়োজন নহয়,
সকলো ক্ষেত্ৰতেই উচ্চশিৰ।
অপৰূপা সপোনৰ পৃথিৱীখন,
অকস্মাৎ সপোনতে গঢ়ি লই
ভাৱিলো এই খন পৃথিৱীত
থকাটো জানো উচিত হ'ব মই।
মানুহ বাস কৰিলে হ'ব গৈ
সপোনৰ পৃথিৱীখনো নষ্ট
ভয়ৰ কাৰণ মানৱ জাতি,
আজিৰ প্ৰায়বোৰ মানুহ দুষ্ট।
সপোনতে সেই সকলে মোক
ধৰিলে চাৰিওফালে আগুৰি ;
সপোনৰ পৃথিৱীটোতে ঠাই,
বিচাৰিলে অতি মিনতি কৰি।
বুজনি দি ওভতাই পঠালোঁ
নিদিলো সিহঁতক অনুমতি
জীৱ শ্ৰেষ্ঠ এচাম ইমানেই ধূৰ্ত
মানিব নোখোজে নিয়ম নীতি।
আমাৰ ধৰণীৰ এচাম মূৰ্খৰ,
কি যে অদ্ভুত আচৰণ বিধি ;
সুবিধা পালেই মূৰত উঠে গৈ
অকৃতজ্ঞ অবিবেচক অতি।
এনেবোৰ গলগ্ৰহক লই,
মনত লাগিল মোৰ শোক
নিদিলো ঠাই পৃথিৱীখনত
পালেও পাওক সিহঁতে দুখ।
আলাই আথনি নকৰো মই,
সপোনত গঢ়া পৃথিৱীখনি
দুখীয়া নিচলাৰ ক্ৰন্দনত
ভাঙিল শেষত মোৰ টোপনি।

ডঃ ভবেন্দ্র নাথ শইকীয়াৰ সোঁৱৰণত

অসমবাসীৰ সুযোগ্য সন্তান,
নিশ্চয় আছিল ডঃ শইকীয়া
অসমী আইক কন্দুৱাই তেখেত,
সংসাৰৰ পৰা হ'ল নাইকিয়া।
চিৰ নিদ্ৰাত গ'ল সৌ সিদিনা,
ভাঙি শিল্প সাহিত্য প্ৰেমীৰ হিয়া।
চলচিত্ৰ সাহিত্য শিল্প সংস্কৃতিত,
এতিয়া হ'লো আমি দুৰ্ভগীয়া।
অসমৰ জাতীয় জীৱনৰ লগত,
জীৱন একাত্ম কৰি নিজৰ ;
ৰচিছিল নাটক গল্প উপন্যাস অলেখ,
নিৰ্মান কৰিছিল চলচিত্ৰ সৰ্বকালৰ।
বহুমূখী প্ৰতিভাধৰ ব্যক্তি আছিল,
আমাৰ শ্ৰদ্ধাৰ ডঃ ভবেন্দ্ৰ নাথ শইকীয়া
কিম্বদন্তিত পৰিণত হৈছিল তেখেত,
নিশ্চয় জ্ঞাত আমাৰ অসমীয়া।
যোৱাৰ বেলিকা থৈ গ'ল সকলো,
নিয়া নাই লগত এটিও কণা কড়ি
যদিও আছিল ব্যক্তিজনৰ মূল্যৱান,
অলেখ সৃষ্টি শিল্প সাহিত্য সংস্কৃতি
সুদীৰ্ঘকাল সাধনাৰে সমৃদ্ধ কৰিলে,
অসমীয়া ভাষা সাহিত্য কথা ছবিৰ বাণী,
সাংগঠনিক দিশত বহুতো কাম,
কৰিছিল ভাল পাই অসম ভূমি।
সিচঁৰিত হৈ আছে ডঃ শইকীয়াৰ,

কৰ্ম ৰাজি অসমৰ অ'ত তত ;
চিৰ যুগমীয়া হৈ ৰ'ব নিশ্চয়,
তেখেতৰ নাম বুৰঞ্জীৰ পাতত।
তেখেতৰ শূণ্যতা আজি হায় !
অসমত কোনেনো পূৰাব,
ভূত প্ৰেতৰ গল্প ৰচনা কৰা ;
সাহিত্যিকৰ কিন্তু অভাৱ নহ'ব।
অসম সাহিত্য সভাৰ সভাপতি পদৰ
কাৰণে নকৰিছিল তেখেতে লোভ ;
চলচিত্ৰ সাহিত্য সংস্কৃতি জগতৰ উন্নতিৰ
চিন্তাতেই পাহৰিছিল নিজৰ সুখ দুখ ॥
শিশু সকলৰ কল্যাণৰ উদ্দেশ্যে,
শিশু সাহিত্য ন্যাস প্ৰকল্প গঢ়ি,
উক্ত প্ৰকল্পৰ অসম্পূৰ্ণ কামবোৰ,
তেখেতে যাব লগা হ'ল এৰি।
এই জনা মহান ব্যক্তিয়ে মুদিলে চকু,
তেৰ আগষ্ট ২০০৩ চনৰ দিনা;
অসমবাসীয়ে শ্ৰদ্ধাৰে সুঁৱৰিব,
থাকে মানে সিহঁতৰ চেতনা।



ছাইফুল ইছলাম

ইংৰাজী ১৯৫২ চনৰ পহিলা জুলাইত নগাওঁ জিলাৰ জুৰীয়া মৌজাত অৱস্থিত কাৱৈমাৰী গাৱঁৰ এটা খেতিয়ক পৰিয়ালত ছাইফুল ইছলামৰ জন্ম হয়। গাৱঁতে প্ৰাথমিক আৰু মজলীয়া শিক্ষা সমাপ্ত কৰি মাধ্যমিক শিক্ষাৰ কাৰণে তেওঁ নিজৰ নাম ভৰ্ত্তি কৰিছিল তেতিয়াৰ প্ৰসিদ্ধ শিক্ষা প্ৰতিষ্ঠান জুৰীয়া উচ্চ মাধ্যমিক ইংৰাজী বিদ্যালয়ত। ১৯৭০ চনত তেওঁ সেইখন বিদ্যালয়ৰ পৰা প্ৰৱেশিকা পৰীক্ষা দি উৰ্ত্তীণ হয়। ইয়াৰ পিছত ইছলামে উচ্চ শিক্ষাৰ বাবে নগাওঁ আনন্দ ৰাম ঢেকিয়াল ফুকন কলেজত নিজৰ নাম লগায় আৰু তাৰ পৰা বি, এ পাছ কৰে। বি, এ ডিগ্ৰী লোৱাৰ আগতেই জলসিঞ্চন বিভাগৰ হোজাই যমুনা প্ৰকল্প এলেকা উন্নয়ণ সংমণ্ডল (জলসিঞ্চন) কাৰ্য্যালয়ত কাৰিকৰী শাখাত ছাইফুল ইছলামে তেওঁৰ চাকৰি জীৱন আৰম্ভ কৰে।

লিখা পঢ়াৰ প্ৰতি থকা অদম্য মনোবলৰ ফলত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ইছলামে বুৰঞ্জী বিষয়ত এম, এ ডিগ্ৰীও লাভ কৰে। অধ্যয়ণৰ লগে লগে সাহিত্য সাধনাও আছিল তেওঁৰ অন্যতম ব্ৰত। তেওঁ লিখা কবিতা সমূহৰ ভিতৰত অভিনয়, নৰ-নাৰী আৰু অমূল্য সময় আদি কেইটামান কবিতা বাতৰি কাকত আৰু আলোচনীত প্ৰকাশ পাইছে। ইছলামৰ অভিনয় নামৰ কবিতাটি বড়িগোগ সাহিত্য সভাৰ কবিতা সংকলন পুথি "প্ৰিয় মানুহৰ সন্ধান"ত পোন প্ৰথমে প্ৰকাশিত হৈছিল। তেওঁ বৰ্তমান গল্প পুথি এখনৰ পাণ্ডু লিপি প্ৰস্তুত কৰি আছে।

-প্ৰকাশক

Digitized By: Atiqur Rahman
Email: atiqur193@gmail.com